# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-05-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। চৰকাৰে সিন্দূৰ অভিযান সন্দৰ্ভত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

২। সিন্দুৰ অভিযানৰ সময়ত অসীম বীৰত্ব আৰু সাহস প্ৰদৰ্শনেৰে সশস্ত্ৰ বাহিনীসমূহে ইতিহাস ৰচনা কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে।

৩। ছত্তিশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্যত কমেও ২২ জন মাওবাদী নিহত হয়।

৪। ৰোহিত শৰ্মাই ততালিকে কাৰ্যকৰী হোৱাকৈ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা চেন্নাই ছুপাৰ কিংছে কলকাতা নাইড ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে।

ooooo

চৰকাৰে সিন্দূৰ অভিযান সন্দৰ্ভত আজি নতুন দিল্লীত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলক এই অভিযানৰ বিষয়ে অৱগত কৰিব। বিভিন্ন দলৰ নেতাই দলীয় স্বাৰ্থৰ উৰ্ধলৈ গৈ সিন্দূৰ অভিযানক প্ৰশংসা কৰিছে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সশস্ত্ৰ বাহিনীসমূহে গ্ৰহণ কৰা ব্যৱস্থাক লৈ গৌৰৱ প্ৰকাশ কৰিছে। বিৰোধী পক্ষই ইয়াৰ পূৰ্বে পেলেহগাম আক্ৰমণৰ পাছত চৰকাৰে গ্ৰহণ কৰা যিকোনো ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

*-বাইট-*

ooooo

সিন্দুৰ অভিযানৰ সময়ত অসীম বীৰত্ব আৰু সাহস প্ৰদৰ্শনেৰে সশস্ত্ৰ বাহিনীসমূহে ইতিহাস ৰচনা কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে। নতুন দিল্লীত কালি সীমান্ত পথ সংস্থাই ছখন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত ৰূপায়ণ কৰা ৫০টা প্ৰকল্প উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই অভিযানৰ অধীনত সশস্ত্ৰ বাহিনীসমূহে নিখুঁট, সতৰ্ক আৰু সংবেদনশীলতাৰে ব্যৱস্থা গ্ৰহণ কৰি পৰিকল্পিত কৌশলৰ অংশ হিচাপে নিৰ্ধাৰিত লক্ষ্য ধ্বংস কৰিবলৈ সমৰ্থ হৈছে। তেওঁ লগতে কয়, যে এই অভিযানৰ সময়ত অসামৰিক লোকৰ হানি-বিঘিনি নোহোৱাটো নিশ্চিত কৰি সশস্ত্ৰ বাহিনীয়ে সংবেদনশীলতাৰ পৰিচয় দিছে। ভাৰতে সিন্দুৰ অভিযান চলোৱাৰ বাবে সঁহাৰি জনোৱাৰ অধিকাৰ প্ৰয়োগ কৰাৰ লগতে সু-চিন্তিত আৰু সু-পৰিকল্পিত ব্যৱস্থা গ্ৰহণ

কৰিছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে। তেওঁ কয়, যে সন্ত্ৰাসবাদীসকলক সমুলাঞ্চে উৎখাত কৰাৰ বাবে সিন্দুৰ অভিযান ৰূপায়ণ কৰা হয়। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সশস্ত্ৰ বাহিনীসমূহে সন্ত্ৰাসবাদীৰ ঘাটি ধবংস কৰি সমিচীন প্ৰত্যুত্তৰ দিছে।

ooooo

সিন্দূৰ অভিযানৰ অধীনৰ নিখুঁট ক্ষেপনাস্ত্ৰ আক্ৰমণৰ পাছত পাকিস্তানে পৰিস্থিতিৰ অধিক অৱনতি ঘটালে ভাৰত যোগ্য প্ৰত্যুত্তৰ দিবলৈ সাজু বুলি নতুন দিল্লী মহলে প্ৰকাশ কৰিছে। ২৫ মিনিট জোৰা সিন্দূৰ অভিযানৰ অধীনত সশস্ত্ৰ বাহিনীসমূহে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধকল্পে মঙলবাৰে নিশা ক্ষেপনাস্ত্ৰৰে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটি ধবংস কৰে। সেনা, বায়ুসেনা আৰু বিদেশ মন্ত্ৰালয়ে কালি পুৱা সিন্দূৰ অভিযান সন্দৰ্ভত নতুন দিল্লীত সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত স্থলসেনাৰ ছোফিয়া কুৰেশ্বী আৰু বায়ুসেনাৰ উইং কামাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণত বলি হোৱা লোকসকলক ন্যায় প্ৰদানৰ উদ্দেশ্যে এই অভিযান ৰূপায়ণ কৰা হয়। কৰ্ণেল কুৰেশ্বীয়ে এই অভিযানৰ অধীনত আক্ৰমণ চলোৱা ঠাইসমূহৰ সবিশেষও প্ৰকাশ কৰে। উইং কামাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে সশস্ত্ৰ বাহিনীলমূহ ভৱিষ্যতে পাকিস্তানৰ দু-সাহসৰ যোগ্য প্ৰত্যুত্তৰ দিবলৈ সম্পূৰ্ণৰূপে সাজু। সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰিয়ে কয়, যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ তদন্তত আক্ৰমণত জড়িত সন্ত্ৰাসবাদী কেইজনৰ পাকিস্তানৰ সৈতে সম্পৰ্ক থকাৰ কথা পোহৰলৈ আহিছে।

ooooo

সিন্দূৰ অভিযানৰ পাছত লেহ বিমানবন্দৰ বন্ধ কৰি দিয়াৰ বাবে লাডাখত আবদ্ধ হৈ পৰা পৰ্যটকসকলক সৌহাৰ্দ্যৰ চিন স্বৰূপে বিনীমূলীয়া থকা-খোৱাৰ সুবিধা প্ৰদান কৰা হৈছে। হোটেল অথবা গেষ্ট হাউচৰ পৰা গন্তব্য স্থানলৈ বুলি ওলাই আহি লেহত আবদ্ধ হৈ পৰা পৰ্যটকসকলে আতিথ্য উদ্যোগে আগবঢ়োৱা এই সুবিধা গ্ৰহণ কৰিব পাৰিব। উল্লেখযোগ্য যে, সিন্দূৰ অভিযানৰ পৰিপ্ৰেক্ষিতত লেহ খণ্ডলৈ বিমান সেৱা বাতিল কৰাৰ ফলত লাডাখত ভালেসংখ্যক পৰ্যটক আবদ্ধ হৈ আছে।

ooooo

জম্মু-কাশ্মীৰত নিয়ন্ত্ৰণ ৰেখা আৰু জম্মু অঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ শ শ বাসিন্দাক নিৰাপদ অঞ্চললৈ স্থানান্তৰ কৰা হৈছে। পাকিস্তানৰ আক্ৰমণৰ পৰা তেওঁলোকক ৰক্ষা কৰাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হয়। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি, কালি পাকিস্তানী সেনাই জম্মু অঞ্চলৰ পুঞ্চ আৰু ৰাজৌৰীত তোপ আৰু মৰ্টাৰেৰে কৰা আক্ৰমণত শিশু আৰু দুগৰাকী মহিলাকে ধৰি ১২ জন লোক নিহত হোৱাৰ লগতে ৫০ জনৰো অধিক আহত হয়। ২২ এপ্ৰিলত পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধস্বৰূপে ভাৰতীয় সশস্ত্ৰ বাহিনীয়ে পাকিস্তান আৰু পাকিস্তানৰ নিয়ন্ত্ৰণত থকা কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদীৰ ঘাটিত ক্ষেপণাস্ত্ৰৰে আক্ৰমণ চলোৱাৰ কিছু সময়ৰ পাছতে সীমান্তৰ সিপাৰৰ পৰা গোলাবৰ্ষণ আৰম্ভ হয়। ইয়াৰ পাছতে সীমান্তৰ স্থানীয় জনতাৰ সুৰক্ষাৰ বাবে তেওঁলোকক সেই স্থানৰ পৰা আঁতৰাবলৈ তৎপৰতা আৰম্ভ কৰা হয়। অস্থায়ী আশ্ৰয় গৃহত লোকসকলে কোনো সমস্যাৰ সন্মুখীন নোহোৱাটো সুনিশ্চিত কৰিবলৈ জিলা প্ৰশাসনে সকলো প্ৰয়োজনীয় ব্যৱস্থা কৰিছে।

ইপিনে জম্মুত স্থানীয় একাংশ দল-সংগঠনে সমদল উলিয়াই নিখুঁত আক্ৰমণ চলোৱাৰ বাবে দেশ আৰু সশস্ত্ৰ বাহিনীৰ প্ৰশংসাত শ্লোগান দিয়াৰ লগতে শোভাযাত্ৰাও উলিয়ায়। প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তাৰিক হামিদ কাৰা আৰু জম্মু-কাশ্মীৰ বিজেপিৰ প্ৰাক্তন সভাপতি ৰবিন্দৰ ৰাইনাকে ধৰি ৰাজনৈতিক নেতাসকলে অসামৰিক অঞ্চলসমূহত পাকিস্তানে কৰা গোলাবৰ্ষণক গৰিহণা দিয়াৰ লগতে সীমান্তৰ সমীপত বাস কৰা নিৰীহ সাধাৰণ নাগৰিকক লক্ষ্য কৰি লোৱাৰ বাবেও পাকিস্তানক সমালোচনা কৰে। লগতে, সীমা অতিক্ৰম কৰি কৰা গোলাবৰ্ষণৰ ফলত ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ্সংস্থাপনৰ বাবে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা ল'ব বুলিও তেওঁলোকে মন্তব্য কৰে ।

০০০০০

মাৰ্কিন সাংসদ ৰাজা কৃষ্ণমূৰ্তিয়ে ভাৰতৰ সৈতে বৰ্তমান চলি থকা উত্তেজনাক গণতন্ত্ৰক অধিক ক্ষতিগ্ৰস্ত কৰাৰ অজুহাত হিচাপে ব্যৱহাৰ নকৰিবলৈ পাকিস্তানলৈ আহ্বান জনাইছে। আন এগৰাকী সাংসদ শ্ৰীথানেদাৰে, মঙলবাৰে গভীৰ নিশা ভাৰতৰ প্ৰতিশোধমূলক আক্ৰমণলৈ সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছে। ভাৰতীয় বংশোদ্ভূত ৰাজা কৃষ্ণমূৰ্তিয়ে কয় যে, যোৱা মাহত পেহেলগামত হোৱা ভয়ানক সন্ত্ৰাসবাদী আক্ৰমণৰ পৰিপ্ৰেক্ষিতত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়া আৰু ভৱিষ্যতে হিংসা ৰোধ কৰাৰ প্ৰয়োজনীয়তা এতিয়া অত্যাৱশ্যকীয় হৈ পৰিছে। ইপিনে, ভাৰতীয় মূলৰ আনগৰাকী সাংসদ শ্ৰীথানেদাৰে কয় যে, সন্ত্ৰাসবাদ সহ্য কৰিব নোৱাৰি আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ উত্তৰ দিবই লাগিব। থানেদাৰে লগতে কয় যে, দেশবাসীক ৰক্ষা কৰাৰ অধিকাৰ ভাৰতৰ আছে আৰু উগ্ৰপন্থীৰ নেটৱৰ্ক(শৃংখল)সমূহ ভাঙি পেলোৱাৰ প্ৰচেষ্টাত মিত্ৰ ভাৰতৰ সৈতে তেওঁ দৃঢ়তাৰে থিয় দিছে। উল্লেখযোগ্য যে, শ্ৰী কৃষ্ণমূৰ্তি ইলিনইচৰ আৰু শ্ৰীথানেদাৰ ডেম'ক্ৰেটিক দলৰ সদস্য।

০০০০০

ছত্তিশগড়ৰ বিজাপুৰ জিলাত কালি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত কমেও ২২ জন মাওবাদী নিহত হয়। তেলেংগানাৰ সীমান্তৱৰ্তী বিজাপুৰ জিলাৰ কৰেগুটা পাৰ্বত্য এলেকাত ভালেসংখ্যক মাওবাদীয়ে আত্মগোপন কৰি থকা বুলি সম্ভেদ লাভ কৰাৰ পাছত সুৰক্ষা বাহিনীয়ে দুসপ্তাহ ধৰি অঞ্চলটোত অভিযান চলায়। অভিযানৰ সময়ত কালি নিচেই পুৱা সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত গুলীয়াগুলীৰ সূত্ৰপাত হয়। বৰ্তমানলৈকে সংঘৰ্ষস্থলীৰ পৰা ২২টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে এই অভিযানৰ সময়ত মাওবাদীৰ ৪ গৰাকী মহিলা সদস্যৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াকে লৈ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, ৰাজ্যিক আৰক্ষী, জিলা সংৰক্ষিত বাহিনী আৰু বিশেষ কাৰ্যবাহিনীয়ে চলোৱা এই অভিযানত বৰ্তমানলৈকে মুঠ ২৬ জন মাওবাদী নিহত হৈছে।

০০০০০

ৰোহিত শৰ্মাই ততালিকে কাৰ্যকৰী হোৱাকৈ টেষ্ট ক্ৰিকেটৰ পৰা অৱসৰ লৈছে। খেলুৱৈগৰাকীয়ে কালি সামাজিক মাধ্যম যোগে এই কথা ঘোষণা কৰে। ৰোহিত শৰ্মাই ৬৭ খন টেষ্টত ১২টা শতক আৰু ১৮টা অৰ্ধ শতকৰ সহায়ত ৪৭ দশমিক ৫-৭ গড় হাৰত ৪ হাজাৰ ৩০১ ৰান সংগ্ৰহ কৰিছে। ৩৮ বছৰীয়া খেলুৱৈগৰাকীয়ে এদিনীয়া ক্ৰিকেটত দেশক প্ৰতিনিধিত্ব কৰি যাব।

ooooo

আই পি এল ক্রিকেট প্ৰতিযোগিতাত যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে কলকাতা নাইড ৰাইডাৰ্ছক ২ উইকেটত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ১৮০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু ৪টা বলত ৮টা উইকেটৰ বিনিময়ত ১৮৩ ৰান সংগ্ৰহ কৰে। চেন্নাইৰ হৈ দি ৱাল্ড ব্ৰেভিছে সৰ্বাধিক ৫২ ৰান কৰে। শিৱম ডুবে ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। কলকাতাৰ বৈভৱ আৰোৰাই তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৭৯ ৰান কৰে। কলকাতাৰ হৈ আজিকং ৰাহানে সৰ্বাধিক ৪৮ ৰান কৰে।

প্ৰতিযোগিতাত আজি পাঞ্জাব কিংছ, ডেহলি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতৰ মহিলা ক্ৰিকেট দলে দক্ষিণ আফ্ৰিকাক ২৩ ৰানত পৰাস্ত কৰি চলিত ত্ৰিদেশীয় এদিনীয়া শৃংখলাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে।

কালি আৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ভাৰতে প্ৰথমে বেটিং কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৮ উইকেটত ৩৩৭ ৰান কৰে। জেমিমা ৰড্ৰিগেছে সৰ্বাধিক ১২৩ আৰু দীপ্তি শৰ্মাই ৯৩ ৰান কৰে।

প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এটা সময়ত জয়ৰ সম্ভাৱনা জগাই তুলিলেও নিৰ্ধাৰিত অ'ভাৰত ৭ উইকেটত ৩১৪ ৰাণতে থমকি ৰয়। ভাৰতৰ জেমিমা ৰড্ৰিগেছলৈ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা আগবঢ়োৱা হয়।

ভাৰতে এতিয়া শৃংখলা দখলৰ যুঁজত অহা দেওবাৰে আয়োজক শ্ৰীলংকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

**সমাপ্ত**